# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

*India's National Spiritual Newspaper*

₹ 10/-

REACHING NATIONS

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIV | FEBRUARY 2024 | No. 08


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভুৰ প্ৰশংসা হওঁক!

**গীতমালা ১১২ঃ১-১০**

১। তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা। যিহোৱালৈ ভয় ৰখা জন ধন্য, যিহোৱাৰ আজ্ঞাবোৰত অতি সন্তোষ পোৱা জন ধন্য।

২। তাৰ বংশ পৃথিৱীত বীৰ হ'ব, সৰলবিলাকৰ গোষ্ঠী আশীৰ্বাদপ্ৰাপ্ত হ'ব।

৩। তাৰ ঘৰত ধন আৰু ঐশ্বৰ্য আছে, আৰু তাৰ ধাৰ্মিকতা চিৰকাললৈকে থাকে।

৪। সৰলবিলাকৰ নিমিত্তে আন্ধাৰতো দীপ্তি উদয় হয়; সি কৃপালু, দয়ালু আৰু ধাৰ্মিক।

৫। যিজনে কৃপা কৰে আৰু ধাৰ দিয়ে, তাৰ মঙ্গল হয়; বিচাৰত তেওঁ নিজ হক ৰাখিব।

৬। কাৰণ তেওঁ কেতিয়াও লৰচৰ নহ'ব; ধাৰ্মিক লোকৰ সোঁৱৰণ সদায় থাকিব।

৭। বিষম বাৰ্তা শুনিলেও তেওঁ ভয় নকৰিব; যিহোৱাত ভাৰসা ৰখাত তেওঁৰ মন স্থিৰ হৈ থাকে।

৮। তেওঁৰ মন সুস্থিৰ, তেওঁ ভয় নকৰে; শেষতে তেওঁ নিজৰ শত্ৰুবোৰৰ ওপৰত নিজ ইচ্ছা সিদ্ধ হোৱা দেখিব।

৯। তেওঁ বিতৰণ কৰে, দুখীয়াক দান দিয়ে; তেওঁৰ ধাৰ্মিকতা চিৰস্থায়ী; তেওঁৰ শিং মৰ্য্যদাৰে উন্নত।

১০। দুষ্ট লোকে তাকে দেখি বেজাৰ পাব, দাঁত কৰচিব আৰু গলি যাব; দুষ্টবোৰৰ মনৰ কামনা নিস্ফল হ'ব।

## আপোনাৰ মঙ্গলৰ বাবে ঈশ্বৰৰ হাত আপোনাৰ ওপৰত আছে!

GOD'S HAND IS UPON YOU FOR GOOD!

*মাননীয় প্ৰধান সম্পাদক ৰেভাঃএঞ্জেলীন ছেলভাকুমাৰী*



ঈশ্বৰৰ হাতৰ ধাৰণাটো কৌতুহলজনক। বাইবেলৰ কিং জেম্চ ভাৰজনত "ঈশ্বৰৰ হাত" বাক্যটো পুৰণি নিয়মত ৩৬ বাৰ আৰু নতুন নিয়মত ৩ বাৰ উল্লেখ আছে। অতিৰিক্তভাৱে, "ঈশ্বৰৰ হাত" বাক্যটি বাইবেলত ১৬ বাৰ পোৱা যায়, পুৰণি নিয়মত ৭ বাৰ আৰু নতুন নিয়মত ৯ বাৰ পোৱা যায়।

ঈশ্বৰে হাত বাক্যটি কেৱল পুৰণি নিয়মত তাৎপৰ্য্য ৰাখে এনে নহয়, কিন্তু আজিও ৰাখে। কিয় ঈশ্বৰৰ হাত বাক্যটিয়ে আমাৰ জীৱনত ইমান তাৎপৰ্য ৰাখে।

* পাচনি কৰ্ম ৭ঃ৫০ পদে কয় যে তেওঁৰ হাতে আটাইবোৰ সৃজিলে।

৩ পৃষ্ঠাত চাওঁক


ইখ অফ হীজ কল



ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

প্ৰত্যেক দিনে পুৱা ২ বজাত

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)



আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...

REACHING NATIONS



## আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


HON. EDITOR-IN-CHIEF
Rev. Angeline S. Kumari, M.A., M.Sc., M.Ed.

MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.

GENERAL MANAGER
Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM, MBA.

ADMINISTRATION
Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)

EDITORIAL BOARD
Dr. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Sis. L. Mariya Anjalin, M.A., M.Sc., B.Ed.
Rev. Dr. K.R. Rajasekaran



EDITOR, PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858 95661 31858

E.MAIL
sam@echoofhiscall.org
biblecor@yahoo.co.in

WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.com

YOUTUBE CHANNEL
Echo of His Call


## ইপাৰে সিপাৰে অনেক অনেক গছ থকা আপুনি দেখিব - (যিহিস্কেল ৪৭:৭)

যীচু খ্ৰীষ্টত মোৰ প্ৰিয় বন্ধুসকল,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্ত্তা যীচু খ্ৰীষ্টৰ মূল্যবান নামত উষ্ম শুভেচ্ছা জনাইছো। তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ বিভিন্ন কাৰ্যক্ৰমৰ বাবে আপোনালোকৰ অটুট প্ৰাৰ্থনা আৰু সহায়ৰ বাবে আমি আপোনালোকক আন্তৰিক কৃতজ্ঞতা আগবঢ়াইছো। আপোনালোকৰ সমৰ্থনৰ বাবে ঈশ্বৰৰ দ্বাৰা নিশ্চয় পুৰস্কৃত হ'ব।




চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ শিক্ষয়িত্ৰীসকল - বৰদিনৰ গীত

অলপতে, অতিবাহিত হৈ যোৱা উৎসৱৰ সময়ত, (বৰদিন,নতুন বছৰ আৰু চাগেুস্কুল বাৰ্ষিক দিন কাৰ্য্যসূচী বিলাকৰ সময়ত) চন্তোচাপুৰাম, বালাজী নগৰ, ভেলীচেৰী আৰু আন আন ঠাইৰ বিভিন্ন স্থানত আমি শুভবাৰ্তা কাযসূচীৰ আয়োজন কৰিছিলো। ইয়াৰ বাৰ্ত্তসমূহ অনুপ্ৰেৰণামূলক আছিল, কিয়নো ঈশ্বৰৰ উপস্থিতিয়ে লোকসকলৰ হৃদয় সমূহক স্পৰ্শ কৰিছিল। এই নতুন বছৰৰ সময়তে হবলগীয়া কাৰ্যসূচী বিলাকৰ বাবে একেৰাহে প্ৰাৰ্থনা কৰিবলৈ আপোনালোকক অনুৰোধ জনাইছো।



বৰদিনৰ সময়ত আমাৰ জ্যেষ্ঠ পালকসকলৰ পৰিচৰ্য্যাৰ ক্ষেত্ৰৰ সময়ত

Our Ministries: ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) YouTube Ministry Online Courses Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development



**স্বীকৃতিৰ বাবে আমাৰ পালকৰ সৈতে কৰ্ম্মৰত দলটি**

আমি আপোনালোকক জনাই আনন্দিত হৈছো যে আমাৰ এচিয়া থিয়লজীকেল ইনষ্টিটিউটৰ পৰা নহিমিয়া বাইবেল কলেজৰ বাবে স্বীকৃতি পোৱাৰ অগ্ৰগতিত উন্নতি হৈছে । এই প্ৰক্ৰিয়াৰ সফল সমাপ্তিৰ বাবে আপোনালোকৰ প্ৰাৰ্থনাক অনেক প্ৰশংসা কৰা হয়। আমাৰ নহিমিয়া বাইবেল কলেজৰ পুথিভৰালৰ বাবে হিন্দী ভাষাত থকা থিয়লজীকেল পুস্তকৰ প্ৰয়োজন হৈছে। যদি আপোনাৰ ওচৰত এনে ধৰণৰ সম্পদৰ সুবিধা আছে, তেন্তে, এই ক্ষেত্ৰত আমি আপোনালোকৰ সহায় বিচাৰিছো।

বিগত বছৰলৈ ঘূৰি চাওঁ , আমাৰ কিছুমান সহকৰ্মীসকলে স্বাস্থ্যজনিত সমস্যাৰ সন্মুখীন হৈছিল। প্ৰাৰ্থনাৰ শক্তিৰ দ্বাৰাই ঈশ্বৰে তেওঁলোকক সুস্থ কৰিলে, কিন্তু কিছুমানে এতিয়াও আপোনালোকৰ নিৰন্তৰ প্ৰাৰ্থনাৰ সহায়ৰ প্ৰয়োজনত আছে।

আমি এই কাৰ্যত যিমানেই আগলৈ গৈ আছো আপোনালোকৰ ক্ৰমাগত প্ৰাৰ্থনাৰ প্ৰয়োজন আছে। অনুগ্ৰহ নিশ্চত হওক যে আমিও আমাৰ প্ৰাৰ্থনাত আপোনালোকক ধৰি ৰাখিছো।

কৃতজ্ঞতা আৰু আশীৰ্বাদৰ সৈতে

খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক
*Pr. Alex Samson Sam*
*Pr. S. Sam Selva Raj*
(+91) 98412 71858 / 98410 71858,
E.mail : sam@echoofhiscall.org

*১ পৃষ্ঠাৰ পৰা*

* যাবেচে এই তাৎপৰ্য্যৰ বিষয়ে জ্ঞাত আছিল, সেই গতিকে তেওঁ কৈছিল "তোমাৰ হাত মোৰ সঙ্গে সঙ্গে থাকিব।" যদি আমাৰ প্ৰতিটো কাৰ্যকলাপবোৰত আৰু আমাৰ জীৱনৰ প্ৰতিটো প্ৰান্তৰত ঈশ্বৰৰ হাত থাকে, তেন্তে এইটো লক্ষ্নীয় প্ৰাৰ্থনা সৃষ্টি কৰিব। আমাৰ কিমানে ইয়াক এইদৰে কব পাৰিব ?

* **"তোমাৰ হাততে মোৰ সময় আছে"** (গীতমালা ৩১ঃ১৫)
* **"তুমি তোমাৰ হাতৰ কৰ্ম ত্যাগ নকৰিবা")** (গীতমালা ১৩৮ঃ৮)
* **"আমাৰ নিশ্বাস তেওঁৰ হাতত আছে"** (দানিয়েল ৫ঃ২৩)
* **" আকাশ মণ্ডলে তেওঁৰ হাতৰ কৰ্ম দেখুৱায়"** (গীতমালা ১৯ঃ১)
* **"ঈশ্বৰৰ হাতত মোৰ হাত ৰাখি যেতিয়া আপুনি আৰু মই একেলগে ধৰি, ঈশ্বৰৰ হাতত মোৰ হাত ৰাখিলে এটা লক্ষ্যনীয় প্ৰাৰ্থনা হ'ব।"**

## ১) সৃষ্টি কৰা হাতবোৰ

ঈশ্বৰৰ হাতখন সৃষ্টিৰ হাত হয়। তেওঁ এনেবোৰ বস্তু সৃষ্টি কৰিব পাৰে যিবোৰৰ অস্তিত্ব নাথাকে।তেওঁ জড়ক জীৱনলৈ সম্বোধন কৰে - (ৰোমীয়া ৪ঃ১৭)। তেওঁৰ হাতে নতুন বস্তুবোৰ সৃষ্টি কৰে। তেওঁৰেই সৃষ্টি কৰ্ত্তা।কেৱল সেইটোৰেই নহয়, তেওঁৰ হাতে মৃত বস্তুবোৰক জীৱনলৈ আনে।যেতিয়া তেওঁৰ হাতে স্পৰ্শ কৰে জীৱন নথকা বস্তুবিলাক, বা ভৱিষ্যত নথকা বস্তুবিলাকৰ জীৱন ঘূৰাই আনে, জাগৃত কৰে আৰু সেইবিলাকক উন্নত কৰে। তেওঁৰ হাতৰ শক্তি এনেদৰে কাম কৰে যেতিয়া তেওঁৰ হাতে এজনী বাঁৰী তিৰোতাৰ পুতেকৰ হাত স্পৰ্শ কৰিলে, তেওঁ জীৱন পালে।তেওঁ কেৱল যে তাইৰ পুতেকক জীউৱালে এনে নহয়, কিন্তু তাইৰ জীৱনত থকা মৃত পৰিস্থিতিকো জাগৃত কৰিলে আৰু তাইৰ আশা, আনন্দ আৰুবিশ্বাসক উদ্ধাৰ কৰিলে।

তাইৰ অস্তিত্বই এটি নতুন অৰ্থ পালে, কিয়নো তেওঁৰ স্পৰ্শই তাইৰ ওপৰত এটা সতেজ উদ্দেশ্য দিলে। **"পাছত তেওঁ ওচৰলৈ গৈ, মৰা লোকজনক কঢ়িয়াই নিয়া চাংখন চুলে, তাতে চাংখন কঢিয়াই নিয়া লোকসকল স্থিৰ হৈ পৰিল। তেতিয়া তেওঁ কলে "হে ডেকা, মই তোমাক ইয়াকে কৈছো তুমি উঠা"! তেতিয়া সেই মৃত লোকজন উঠি বহিল আৰু কথা কবলৈ আৰম্ভ কৰিলে।তেতিয়া যীচুৱে তেওঁক নি তেওঁৰ মাতৃৰ হাতত দিলে** (লুক ৯ঃ১৪,১৫)।

যিদৰে আমি এই বছৰটিৰ আৰম্ভনিত আছো, আগত থকা প্ৰত্যাহবানবোৰৰ বিষয়ে অনিশ্চিত পৰিস্থিতিক অনুভৱ কৰাটো স্বাভাৱিক। আপুনিও হয়তো এটা অচল অৱস্থাৰ সন্মুখীন হৈ আছে আৰু কিবা উপায় বিচাৰি আছে। যদিও এইটো এইমাহতে অতিবাহিত হৈ গৈ আছে, বৰ্ত্তমানৰ সমস্যাবোৰ হয়তো মনত পেলাই আছে যে কিদৰে মই গোটেই বছৰটোত চলি যাম ?

প্ৰিয় বন্ধুসকল, এইটো আৱশ্যক যে আপোনাৰ জীৱনৰ মজত অংশবোৰত ঈশ্বৰে নিশাহ দিবলৈ আপুনি অনুমতি দিব লাগে। সেইবোৰ বাঁনী আৰু অউৎপাদনশীল বস্তু হয় আৰু জাগ্ৰীত কৰিবলৈ ঈশ্বৰক অনুমতি দিয়ক। এই প্ৰক্ৰিয়াত আত্মপ্ৰতিফল আৰু উপলব্ধি অন্তৰ্ভুক্ত হৈ আছে।

## ২) বাঞ্ছা পূৰ্ণ কৰা হাত !

**গীতমালা ১৪৫ ঃ ১৬**

**তেওঁ তেওঁৰ হাত মেলে আৰু সকলো জীৱকুলৰ বাঞ্ছা পূৰ্ণ কৰিব। (গীতমালা ১৪৫ ঃ ১৬)**

তেওঁৰ হাতখনে সকলো সন্তুষ্টিৰ উৎস হয়। তেওঁৰ লোকসকলৰ মনোবাঞ্ছা সিদ্ধ কৰাত তেওঁ অনন্দ পায়।গীতমালা ১৪৫ ঃ ১৬ কয় যে, **তেওঁক ভয় কৰা লোকসকলৰ মনোবাঞ্ছা তেওঁ সিদ্ধ কৰে। অৱশেষত, গীতমালা ৩৭ঃ৪ পদত ঈশ্বৰে আমাৰ হৃদয়ৰ মনোবাঞ্ছা সিদ্ধ কৰিবলৈ প্ৰতিজ্ঞা কৰে।** বহুত সময়ত যেতিয়া আমি এই পদটিক অধ্যয়ন কৰো আমি আমাৰ হৃদয়ৰ প্ৰতিটো মনোবাঞ্ছা সিদ্ধৰ বাবে ঈশ্বৰৰ পৰা আশা কৰো। যেতিয়া আমি নিজে বিচৰাৰ দৰে নাপাওঁ তেতিয়া আমি নিৰাশ হওঁ আৰু ঈশ্বৰে তেওঁৰ প্ৰতিভা নাৰাখিলে বুলি অভিযোগ কৰো।

প্ৰিয় বন্ধুসকল, যেতিয়া আমি এই বাক্য অধ্যয়ন কৰোঁ আমি বুজা উচিত যে যিজন ঈশ্বৰে আমাক সন্তুষ্টি দিয়ে তেওঁক কেৱল ভয় কৰা লোকসকলকহে দিয়ে। কিয়নো যিবিলাকে তেওঁক ভয় কৰে তেওঁলোকৰ মনোবাঞ্ছা সমূহ তেওঁৰ নিজৰ সৈতে শ্ৰেণীবদ্ধ হব।যেতিয়া ঈশ্বৰে ইস্ৰায়েলবিলাকক মিচৰৰ পৰা চলাই নিছিল। তেওঁবিলাকে মাংস খাবলৈ ইচ্ছা কৰিছিল। মই ভাবো আহাৰ পছন্দ কৰাৰ ক্ষেত্ৰত তেওঁলোকে মোৰ দৰে আছিল। মই আমিষ আহাৰ গ্ৰহণ কৰি ভাল পাওঁ, আৰু ইয়াৰ বাদে মোৰ বাবে প্ৰত্যাহবান আহি যায়। স্বৰ্গীয় আহাৰৰ প্ৰতি ইস্ৰায়েল বিলাকৰ অসন্তুষ্টিতৰ স্বত্বেও, ঈশ্বৰে তেওঁলোকৰ ইচ্ছাক পূৰ্ণ কৰিলে। একেদৰে ঈশ্বৰে আমাক যিমানেই সম্ভৱ সিমানেই সন্তোষ্ট কৰিব বিচাৰে, কিন্তু যিবিলাকে তেওঁত ভয় কৰে আৰু তেওঁক আনন্দ কৰে আৰু তেওঁলোকৰ পথবিলাকক ঈশ্বৰত সমৰ্পণ কৰে তেওঁলোকৰ বাবেহে ৰাখি থোৱা আছে। কাৰণ তেওঁলোকৰ চিন্তাধাৰাবিলাকত একতা থাকিব, যি ব্যক্তিয়ে প্ৰভুলৈ ভয় ৰাখে সদায় মনক বুজি পায় আৰু ঈশ্বৰৰ হৃদয়কো বুজি পায়।

যদি আপুনি আপোনাৰ অৱস্থাৰ সৈতে সন্তোষ্ট আছে আপুনি ঈশ্বৰৰ সন্তোষ্টজনক হাতৰ সাক্ষ্যদান কৰিব আৰু আপোনাৰ জীৱনত শক্তিশালী হব।

**কৰে তেওঁলোক একো নোহোৱা যেন হ'ব আৰু বিনষ্ট হ'ব।** (যিচয়া ৪১ঃ১০,১৩)

মোৰ যৌৱন কালৰ এটা সময়ৰ কথা মনত পৰিছে যেতিয়া দক্ষিণ ভাৰতৰ নাগেৰকইললৈ মোৰ পিতৃয়ে পৰিচাৰ্য্যা যাত্ৰা কৰিছিল তেতিয়া ময়ো লগ দিছিলো। ঘৰলৈ ঘূৰি যোৱা সময়ত আমি ৬০০ কিঃ মিঃ যাত্ৰা কৰিবলগীয়া হৈছিল আৰু সাগৰৰ ওপৰেদি দলং এখন পাৰ হৈ যাব লগীয়া হৈছিল (কোনখন দলং আছিল মই নিশ্চিত নহয়)। বৰষুণ হৈ আছিল, লগত ঢেৰেকনী আৰু বিজুলীও মাৰিছিল। যেতিয়া বাছখনে দলংখন অতিক্ৰম কৰি আছিল মই অনুভৱ কৰিছিলো, এইটো লৰি আছে আৰু জলসমূহ উঠি আহিছে। মই বহুত ভয় খাইছিলো। তেতিয়া মই অনুভৱ কৰিছিলো যে এখন গৰম হাতে মোক ধৰি আছে, সেই হাতখন মোৰ দেউতাৰ আছিল। সেইটোৱেই মোৰ বাবে যথেষ্ট আছিল। তেওঁ মোক ধৰি থাকোতে মোৰ এনে অনুভৱ হৈছিল যেনিবা তেওঁ মোক কৈ আছিল, “ভয় নকৰিবা, মই তোমাৰ লগত আছো, একোৱেই তোমাক ক্ষতি কৰিব নোৱাৰিব।” মোৰ পিতৃয়ে এটাও বাক্য কোৱা নাছিল, কিন্তু তেওঁ মোক ধৰি ৰখা কাৰ্যটোৱে মোক নিৰাপদ অনুভৱ কৰাইছিল আৰু মই ভয় খোৱা নাছিলো।

প্ৰিয় বন্ধুসকল,“যিহোৱাৰ হাতেই তেওঁক ধৰি ৰাখিছে” যেতিয়া এই বাক্যটিক মই পঢ়ো, মোক মনত পেলাই দিয়ে যে তেতিয়া যিহোৱাই তেওঁৰ শক্তিশালী, পৰাক্ৰমী হাতেৰে মোক ধৰি ৰাখে আমি চিন্তা কৰাৰ প্ৰয়োজন নাই। আমাক ধৰি ৰখাজনক জানি আহক আমি নিশ্চিত হৈ থাকিম। শান্তিত থাকিম। যি শান্তি পৌল আৰু চিলচে উপভোগ কৰিছিল, যিয়ে তেওঁলোকৰ হাত আৰু ভৰি বন্ধা অৱস্থাতো কোবোৱা হৈছিল, গচকা হৈছিল, তেতিয়াও গীত গোৱাই ছিল। এই একেধৰণৰ শান্তিক ইস্ৰায়েলীয়া ভাই সকলেও অনুভৱ কৰিছিল যেতিয়া তেওঁলোকে জুই শিখাৰ মাজত খোজ কাঢ়িছিল।যিমান সময় ধৰি আমাৰ হাতে পৰাক্ৰমী ঈশ্বৰৰ হাতক ধৰি ৰাখিব, আমি যিকোনো ঠাইত খোজ কাঢ়িব পাৰিম। গীতমালাৰ ৰচকজনে কয়, এনে কি, মই মৃত্যুছায়াৰ উপত্যকাইদি চলিলেও, মই কোনো আপদলৈ ভয় নকৰো গাতমালা ২৩ঃ৪। মই প্ৰাৰ্থনা কৰো এই বছৰৰ বাকী দিন কেইটাত আগবাঢ়ি গৈ থকাৰ সময়ত ঈশ্বৰে আপোনাক যিকোনো পৰিস্থিতিৰ সন্মুখীন

৬ পৃষ্ঠাত চাওঁক

## ৩) ধৰি ৰখা হাত !

### ভয় নকৰিব

**যিহোৱাই আমাৰ খোজৰ গতি স্থিৰ কৰে, তেওঁ তেওঁৰ পথত সন্তোষ পায়। তেওঁ উজুতি খাই পৰিলেও নিচেইকৈ পতিত নহব, কিয়নো যিহোৱাৰ হাতেই তেওঁক ধৰি ৰাখিছে।** (গীতমালা ৩৭ঃ২৩-২৪)

ধাৰ্মিকবিলাকে যেতিয়া উজুতি খাই , ঈশ্বৰৰ হাতে ধৰি ৰাখিব।

**ভয় নকৰিবা, কাৰণ মই তোমাৰ লগত আছো। ব্যাকুল নহবা, কাৰণ মই তোমাৰ ঈশ্বৰ, মই তোমাক শক্তি দিম, মই তোমাক সহায় কৰিম, আৰু মোৰ বিজয়যুক্ত সোঁ হাতেৰে যিসকলে তোমাৰ বিৰুদ্ধে ক্ৰোধ কৰিছে,সেই সকলোৱে লাজ পাই বিবৰ্ণ হ'ব। যিসকলে তোমাক প্ৰতিবাদ**


नहेम्याह बाइबल कॉलेज
रेसिडेन्शल कॉलेज, चेन्नई।

माध्यमः हिन्दी

सदस्यता के लिए पंजीकृत उम्मीदवार - ATA

सुविख्यात अंतर्राष्ट्रीय मसीही अगुवे तथा पिछले 54 वर्षो से सेवारत वरिष्ठ पासवान

Certificate in Ministry
Diploma in Theology

योग्यता 10 वी या अधिक
जल्दी करें!

Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
✶ ऑनलाइन कक्षाएं उपलब्ध हैं ✶

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২৪ চনৰ ১৯ ফেব্ৰুৱাৰীৰ পৰা ২০২৪ চনৰ ১৮ মাৰ্চলৈ**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

ফেব্ৰুৱাৰী১৯ ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰসকল, প্ৰকাশ অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল; আৰু মহান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়াল বৰ্গলৈ তেওঁৰ দয়াৰ বাবে।

ফেব্ৰুৱাৰী ২০ ঃ বিভিন্ন ভাষাৰ লোকসকলে শুভবাৰ্ত্তা নোপোৱা ঠাইত আমাৰ ইখ অফ হীজ কল ইউ টিউব চেনেলক কৰা আশীৰ্বাদৰ বাবে।

ফেব্ৰুৱাৰী ২১ঃ আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনীৰ সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ ওপৰত আশীৰ্বাদৰ বাবে।

ফেব্ৰুৱাৰী ২২ঃ আমাৰ কৰ্মীসকলৰ ওচৰত তেওঁৰ প্ৰচুৰ পৰিমাণৰ আশীৰ্বাদৰ বাবে।

ফেব্ৰুৱাৰী ২৩ ঃ ১৬ টা ভাষাত আলোচনীসমূহক আমাৰ প্ৰিণ্টিং প্ৰেছত ছপা কৰি মিশ্বন ফিল্ডলৈ পঠোৱাত তেওঁৰ আৰ্শীবাদৰ বাবে।

ফেব্ৰুৱাৰী ২৪ ঃ আমাৰ বাইবেল যোগাযোগ পাঠ্যক্ৰম আৰু থিয়লজীকেল যোগাযোগ পাঠ্যক্ৰমৰ বৃদ্ধিৰ বাবে।

ফেব্ৰুৱাৰী ২৫ঃ আমাৰ কেন্দ্ৰ মণ্ডলীত আৰু শাখা মণ্ডলী সমূহত দেওবৰীয়া উপাসনা সমূহত দিয়া ঈশ্বৰৰ বাক্যত শক্তিৰ বাবে।

ফেব্ৰুৱাৰী ২৬ ঃ আমাৰ অংশীদাৰসকলৰ আৰ্থিক আৰু সহায়ৰ বাবে নৈতিকতাত আশীৰ্বাদ কৰাৰ বাবে।

ফেব্ৰুৱাৰী ২৭ ঃ আমাৰ জেষ্ঠ পালক, এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো মন্দতাৰ পৰা ৰক্ষা কৰাৰ বাবে।

ফেব্ৰুৱাৰী ২৮ ঃ আমাৰ চেইন্ট পৌলচ্ মেট্ৰিকলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু বাইবেল যোগাযোগ পাঠ্যক্ৰম সমূহৰ ওপৰত আশীৰ্বাদৰ বাবে।

ফেব্ৰুৱাৰী ২৯ঃ আগৰ মাহত আমাৰ প্ৰয়োজনীয় বস্তুসমূহ যোগায় দিয়াৰ বাবে।

মাৰ্চ ০১ ঃ আমাৰ তেওঁৰ আহবানৰ পৰিচৰ্যাসমূহৰ কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক ৰক্ষা কৰাৰ বাবে।

মাৰ্চ ০২ ঃ আমাৰ মণ্ডলীৰ সকলো কাৰ্য্যকলাপত যুৱক-যুৱতীসকলে প্ৰবল আগ্ৰহৰে অংশগ্ৰহণ কৰিবলৈ আশিৰ্বদি কৰাৰ বাবে।

মাৰ্চ ০৩ ঃ আমাৰ চেইন্ট পৌলচ্ স্কুলৰ অধ্যক্ষ, শিক্ষকসকল আৰু আন আন কৰ্মচাৰীসকলক আশীৰ্বাদ কৰাৰ বাবে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

মাৰ্চ ০৪ ঃ সকলো দেশসমূহৰ একতা আৰু শান্তিৰ বাবে।

মাৰ্চ ০৫ ঃ আমাৰ অংশীদাৰসকল আৰু ৰাজ্যিক সহপৰিচালক সকলৰ বাবে।

মাৰ্চ ০৬ ঃ ভাৰতৰ শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তা দিবলৈ সমৰ্থ কৰাৰ বাবে।

মাৰ্চ ০৭ ঃ আমাৰ সকলো পৰিচৰ্য্যামূলক কাৰ্যকলাপত আশীৰ্বাদৰ বাবে।

মাৰ্চ ০৮ ঃএই মাহত আমাৰ সকলো প্ৰয়োজনীয় বস্তুসমূহক আমাৰ প্ৰভুৱে যোগাই দিবৰ বাবে।

মাৰ্চ ০৯ ঃ আমাৰ ইংৰাজী সম্পাদক ভনী চাজিনী চেৰীয়ানৰ সুস্বাস্থ্যৰ বাবে প্ৰাৰ্থনা কৰক।

মাৰ্চ ১০ ঃ সকলো দেশসমূহৰ কভিডৰ নতুন বৈকল্পিকৰ পৰা স্বৰ্গীয় ৰক্ষাৰ বাবে।

মাৰ্চ ১১ ঃ দেশখনৰ শিশুসকল আৰু যুৱকসকলে প্ৰভু যীচু খ্ৰীষ্টক তেওঁলোকৰ ব্যক্তিগত ত্ৰাণকৰ্ত্তা স্বৰূপে গ্ৰহণ কৰিবৰ বাবে প্ৰাৰ্থনা কৰক।

মাৰ্চ ১২ ঃ আমাৰ জেষ্ঠ পালকে তেওঁৰ আত্মজীৱনী লিখাত কৃতকাৰ্য্য হবৰ বাবে।

মাৰ্চ ১৩ ঃ বৃদ্ধ আশ্ৰমত থকা বৃদ্ধ লোকসকলৰ বাবে।

মাৰ্চ ১৪ ঃ পৃথিৱীৰ শিশুসকলে অনলাইন খেলত আসক্ত হোৱাৰ পৰা ৰক্ষা পাবৰ বাবে।

মাৰ্চ ১৫ ঃ আমাৰ সহসম্পাদক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে।

মাৰ্চ ১৬ ঃ সকলো দেশসমূহত তেওঁলোকৰ অৰ্থনৈতিক উন্নয়নৰ বাবে।

মাৰ্চ ১৭ ঃ আমাৰ জেষ্ঠ পালক এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো ধৰণৰ মন্দতাৰ পৰা নিৰাপত্তাৰ বাবে।

মাৰ্চ ১৮ ঃ সমগ্ৰ পৃথিৱীৰ মিশ্বনেৰীসকলৰ স্বৰ্গীয় নিৰাপত্তাৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

হবলৈ শক্তি দিব, আপুনি জানিব যে তেওঁ আপোনাৰ হাতত ধৰি আছে।

এই যাত্ৰাত আপুনি অকলশৰীয়া নহয়। আপোনাৰ বাবে কোনোবা এজন আছে যিজনে আমাৰ যোৱাকালি, আমাৰ আজি আৰু আমাৰ অহাকালিৰ বিষয়ে জানে। তেওঁ ইতিমধ্যে আমাৰ অহাকালিৰ লগত আছে, গতিকে কি ঘটিব তাৰ বাবে চিন্তা কৰিবৰ প্ৰয়োজন নাই। যদি তেওঁ মোক লয়, তেওঁ মোক বাহিৰলৈ উলিয়াই আনিব!

## ৪) পৰাক্ৰমী হাত !

তেওঁৰ হাতখন পৰাক্ৰমী-এইখনে আপোনাৰ লগত তাকি আপোনাক জয়যুক্ত দিব পাৰে বা আপোনাৰ বিৰুদ্ধে যুদ্ধ কৰিব পাৰে।

যিচয়া ১৯-১৬ পদে কয়, **সেইদিনা, ইস্ৰায়েলীয়াসকল মহিলাৰ দৰে হ'ব; বাহিনীসকলৰ যিহোৱাই তেওঁলোকৰ ওপৰত হাত উঠোৱাৰ বাবে, তেওঁলোকে কঁপিব আৰু ভয় কৰিব।**

ঈশ্বৰৰ হাতৰ বিৰুদ্ধে কোনেও থিয় দিব নোৱাৰে! নিশ্চিত কৰক যাতে এইটো আপোনাৰ বিৰুদ্ধে নহ'ব! যিমান দিন ঈশ্বৰৰ হাত আমাৰ পক্ষত থাকিব, আমি নিৰাপদে থাকিম, কিন্তু যদি আমাৰ বিৰুদ্ধে আছে, আমি একোৱেই হ'ব নোৱাৰিম।

## ঈশ্বৰৰ হাত কেতিয়া আমাৰ বিৰুদ্ধে আহে?

পাঁচনী কৰ্ম ১৩ঃ৮-১১ পদত ইলীমাইৰে কাহিনীৰে পাওঁ যে **বিশ্বাসৰ পৰা আঁতৰাই অনাৰ উদ্দেশ্যেৰে তেওঁলোকৰ প্ৰতিৰোধ কৰিলে। পৌলে ক'লে, "প্ৰভুৰ হাত তোৰ ওপৰত আছে আৰু তই কিছু সময়লৈকে সূৰ্য নেদেখি অন্ধ হৈ থাকিবি।" তেতিয়া ইলিমামাৰে চকু জলকতবক লাগিল আৰু অন্ধকাৰময় হ'ল।**

তেওঁৰ পৰাক্ৰমী হাতৰ দ্বাৰাই, ঈশ্বৰে শুভবাৰ্তাৰ শত্ৰুবিলাকক বিচাৰ কৰে।

যেতিয়া আমি ঈশ্বৰৰ কাৰ্যক বিৰোধ কৰো, যেতিয়া আমি ঈশ্বৰৰ কাৰ্যক বন্ধ কৰিবলৈ কথা কওঁ, তেতিয়া ঈশ্বৰৰ হাত আমাৰ বিৰুদ্ধে আহে। ঈশ্বৰৰ লোকসকলৰ বিৰুদ্ধে কথা নক'ব। মেচেচবোৰ দিবলৈ বন্ধ কৰক। পৰচৰ্চা বন্ধ কৰক! ঈশ্বৰৰ কাৰ্যৰ বিৰুদ্ধে বা ঈশ্বৰৰ মানুহৰ বিৰুদ্ধে কথা নক'ব। এই বিষয়ত ঈশ্বৰকহে মোকাবিলা কৰিবলৈ দিয়ক।

আমাৰ কিছুমানে অন্ধকাৰত থাকি আছে, কিয়নো আমি ঈশ্বৰৰ কাৰ্যক বাধা দি আছো, গতিকে ঈশ্বৰে আমাৰ চকুক অন্ধ কৰি দিছে। আজি প্ৰতিফলিত চাওঁহক, কিবা নহ'লে কিবা ধৰণে আপুনি ঈশ্বৰৰ কাৰ্যক বাধা দি আছেনে-এইটো আমাৰ আচৰণ বা বাক্য হ'ব পাৰে-আমি কিবা কৰিলো বা কিবা নকৰিলো-তাৰ বাবে ঈশ্বৰৰ কাৰ্যত বাধা আহি আছে নে কি? তেন্তে আমি সাৱধান হ'ব লাগিব, কিয়নো আমাৰ বিৰুদ্ধে ঈশ্বৰৰ হাতে কাৰ্য কৰিব।

যদি ঈশ্বৰৰ হাত আমাৰ পক্ষত আছে, তেন্তেইয়ে আমাক জয়যুক্ত দিয়ে। **তোমালোকে যিহোৱাৰ উদ্দেশ্য নতুন গীত গোৱা, কাৰণ তেওঁ অনেক আচৰিত কাৰ্য কৰিলে, তেওঁৰ সোঁ হাত আৰু তেওঁৰ পবিত্ৰ বাহুৱে আমাক জয়ী কৰিলে।** গীতমালা ৯৮ঃ১ পদ।

ঈশ্বৰৰ প্ৰিয় দাসসকল, কেতিয়াবা, পথটি অকলশৰীয়া, দীঘলীয়া আৰু কঠিন হ'ব পাৰে। আপুনি ভাবেনে যে যি কঠোৰ পৰিশ্ৰম আপুনি কৰে তাক প্ৰশংসা কৰা নহয়? মানুহে আপোনাৰ পিঠিত থকা চিনবোৰক নেদেখিলেও পাৰে, কিন্তু যীচুৱেও সেই একে পৰিস্থিতিৰ মাজেদি গৈছিল। তেওঁ প্ৰত্যাখাত, নিন্দিত, উপহাসিত, দুখিত আৰু অকলশৰীয়া হৈছিল। মনত ৰাখিব যিজনে আপোনাক আহ্বান কৰিছে তেওঁ বিশ্বাসী! তেওঁ আপোনাক জানে গতিকে তেওঁ আপোনাৰ হৈ যুঁজ কৰিব। থিৰে থাকক! আমাৰ এজন ঈশ্বৰ আছে যিজনে আমাৰ সকলো যুদ্ধৰ মোকাবিলা কৰে। তেওঁ কোনো পৰাজয়ক চিনি নাপায়! গতিকে, আমি জয়ী হ'মেই কিয়নো আমাৰ ঈশ্বৰ এজন পৰাক্ৰমী যুঁজাৰু, যিজনে এটা শক্তিশালী হাতেৰে যুদ্ধ কৰে।

## ৫) আকাৰ দিয়া হাত

অৱশেষত, ঈশ্বৰৰ হাতে আকাৰ দিয়ে। তেওঁ কুমাৰ হয়, আমি মাটিৰ লদা হওঁ। কেতিয়াবা তেওঁ আমাক কাঁটি ছফা কৰে, কেতিয়াবা পৰিশোধন কৰাৰ দ্বাৰাই আৰু কেতিয়াবা অপ্ৰীতিকৰ কাৰ্য কৰি, যাতে আমি আমাৰ প্ৰভুৰ বাবে ব্যৱহাৰ্য হ'ব পাৰো।

*....Contd. to page 9*


# নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়

## চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

মাধ্যম ঃ তামিল

যোৱা ৫৪ বছৰ ধৰি আন্তৰাষ্ট্ৰীয়

**খ্ৰীষ্টিয়ান চলাওঁতাসকল আৰু জ্যেষ্ঠ পালকসকলৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA লৈ**

**Certificate in Ministry**
**Diploma in Theology**

**অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক**
**নামভৰ্তিৰ বাবে সোনকাল কৰক!**

**Contact : The Chairman, Nehemiah Bible College.**
10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

# PLEASE PRAY FOR OUR MINISTRIES AT THE HEAD QUARTERS

1. Prayer Service : 24 hours
2. **BIBLECOR** - Bible Correspondence Courses : English, Tamil & Hindi
3. **ECHO OF HIS CALL** - Monthly Magazines : English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikan.
4. Nehemiah Bible Colleges (Three Centres) (Evening / Residential)
5. Theological Correspondence Courses: English & Tamil
6. Great Commission Partners (Network of Pastors)
7. Training Programmes
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul's Matriculation School - Village English High School

| | | |
|---|---|---|
| 12. Sunday Schools | : | 8.30 a.m. & 4.00 p.m. Sunday |
| **13. Tamil Services** | : | **8.00 a.m. & 10.00 a.m. Sunday** |
| **14. Hindi Service** | : | **4.00 p.m. Sunday** |
| **15. Telugu Service** | : | **5.00 p.m. Sunday** |
| **16. English & Tamil Service** | : | **6.00 p.m. Sunday** |
| 17. Women's Prayer | : | 5.30 p.m. Wednesday |
| 18. Men's Prayer | : | 7.00 p.m. Friday |
| 19. Discipleship Meeting | : | 6.00 p.m. Saturday |
| 20. House Meetings | : | 6.30 p.m. Tuesday & Thursday |
| 21. Special Holy Communion | : | 6.00 a.m. 1st day of each month |
| 22. Ministers Review Meeting | : | 5.30 p.m. First Saturday |
| 23. Parents' Prayer | : | 4.00 p.m. First Sunday |
| 24. Night Prayer | : | 9.30 p.m. Second Friday |
| 25. Fasting Prayer | : | 9:30 a.m. Third Saturday |
| 26. Holy Communion | : | Second Sunday Services |
| 27. Youth / Kid Prayer | : | 10.00 p.m. daily |
| 28. Staff Devotion | : | 9.00 a.m. daily |
| 29. Office | : | 9.00 a.m. to 9.00 p.m. (except Sundays) |

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
**Echo of His Call, Post Box 2957**
CHEPAUK, CHENNAI - 600 005.
**Ph.: (044) 2852 8282, 2852 9293, 2854 7766,**
**Cell : 98410 71852, 95661 31858**
**E.mail : biblecor@yahoo.co.in**

## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্‌নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্‌ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
# PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫

## "আপুনি শতগুণ আশীৰ্বাদ পাব আৰু অনন্তকলীয়া জীৱনৰ উত্তৰাধিকাৰী হ'ব!

**আপোনাৰ হাতে যিহকে পাই তাক সকলো শক্তিৰে কৰক।**
**যি কোনোৱে বতাহক নিৰীক্ষণ কৰে,**
**তেওঁ বীজ ৰোপণ কৰিব নোৱাৰে" উপদেশক ৯ঃ১০, ১১ঃ৪।**

এইটো মোৰ ইচ্ছা যে বাইবেল যোগাযোগ পাঠ্যক্ৰমৰ দ্বাৰাই আৰু বাইবেল কলেজৰ দ্বাৰাই মানুহৰ জীৱনৰ প্ৰতিটো পথৰ পৰা বাইবেলৰ গভীৰ সত্যৰ বিষয়ে শিক্ষা দিব পাৰো, এই ইচ্ছাটো মোৰ হৃদয়ত গভীৰভাৱে গথাঁ হৈ আছিল আৰু বছৰে বছৰে বৃদ্ধি পায় গৈ আছিল। কিন্তু মই নিজকে অসহায় অনুভৱ কৰিছিলো। কিয়নো মই আয়ৰ উৎস বিচাৰি সংগ্ৰাম কৰি আছিলো বা মোক কোনোবাই লগ দিয়াটো বা সহায় কৰাটো বিচাৰিছিলো। এই সময়ত, মই আৰু মোৰ পৰিয়ালে এটি দৰিদ্ৰৰ জীৱনৰ মাজত বসবাস কৰি আছিলো, এটি সৰু ঘৰত কোনো ব্যৱস্থা নোহোৱাকৈ থাকিছিলো।

১৯৮০ চনত, ইণ্ডিয়া বাইবেল লিটেৰেচাৰ নামৰ সংস্থাটোৰ পৰা মই এটি শুভবাৰ্ত্তাৰ টোপোলা পাইছিলো। টোপোলাটো খুলাৰ পাছত, মই তাত কিছুমান শুভবাৰ্ত্তা পত্ৰিকা আৰু এখন যোগাযোগ পাঠ্যক্ৰম পুস্তক দেখা পালো। যেতিয়া মই এই পত্ৰিকাসমূহ আৰু যোগাযোগ পাঠ্যক্ৰমটি অনুসৰণ কৰি আছিলো, এই একে পাঠ্যক্ৰমৰ পুস্তকখনক বিভিন্ন ভাষাত ভাৰতৰ লোকসকললৈ শুভবাৰ্ত্তা দিয়াত ব্যৱহাৰ কৰিবলৈ মই আৰ্ষৰ্কিত হ'লো। লগে লগে মই মোৰ পুৰণা চাইকেলখন লৈ চেন্নাই-৬ ত থকা থাওজেণ্ড লাইট'চৰ ওচৰত ইণ্ডিয়া বাইবেল লিটেৰেচাৰৰ অফিচলৈ গ'লো।

তাতে মই শ্ৰীভেলু ওৰ্ফে শ্ৰী ভেলায়ুখাম নামৰ যুৱক এজনক লগ পালো, যি জন এতিয়া নিৰ্বাহী পৰিচালক। তেওঁ সাৱধানেৰে যোগাযোগ পাঠ্যক্ৰমৰ পুস্তকসমূহ বান্ধি পঠোৱা কাৰ্যক মই পৰ্য্যালোচনা কৰি থকা দেখিলো, তেওঁৰ লগত একেধৰণে কিছু কৰিবলৈ ময়ো অনুপ্ৰণিত হ'লো।

তেওঁক প্ৰশংসা কৰি, মই লাহেকৈ তেওঁৰ ওচৰলৈ গ'লো আৰু ভদ্ৰভাৱে কলো, কিছুমান পাঠ্যক্ৰমৰ পুস্তক দিব পাৰিব নেকি? তেওঁ মোক কলে যে প্ৰতিটো পুস্তকৰ মূল্য ৫০ পইচাকৈ হ'ব। মই তেওঁক কলো যে মই আৰ্থিকভাৱে দুৰ্ব্বল পৰিয়ালৰ মানুহ, সামান্য বেতনৰ চৰকাৰী চাকৰীয়াল, মোৰ কথা শুনি তেওঁ উদাৰভাৱে ১০ খন পুস্তক বিনামূল্যত মোক দিলে। তথাপি মই সন্তুষ্ট নহলো, আৰু খিৰিকীৰ পৰা ভিতৰত ৰাখি খোৱা পুস্তকসমূহলৈ চাই আছিলো। মোৰ এনে অনুভৱ হৈছিল যে পুস্তকসমূহে মোক মাতি আছে, যেনিবা সেই পুস্তকসমূহ ব্যক্তিগতকৃত, সিহঁতক লগত লৈ যাবলৈ অনুৰোধ কৰিছে আৰু যেনিবা মই চিনি পোৱা লোকসকলক জ্ঞান দিবলৈ সেইবোৰত সম্পূৰ্ণ সম্ভাৱনা আছিল। মই তাৰ পৰা গুচি আহিব পৰা নাছিলো। হঠাৎ আন এজন লোক আহি মোক শুধিলে, আপুনি কোন? আপুনি কিয় ইয়াত এইদৰে ঘুৰি ফুৰিছে আৰু কিয় অফিচৰ ভিতৰলৈ জুমি চাই আছে? মই তেওঁক উত্তৰ দি কলো যে জীৱিত যীচু খ্ৰীষ্টৰ সেৱা কৰিবলৈ প্ৰবল ইচ্ছা থকা মই এজন সীমিত অৱস্থাৰ মানুহ আৰু মই কিছুমান যোগাযোগ পাঠ্যক্ৰম পুস্তক ক্ৰয় কৰিবলৈ বিচাৰিছো। তেওঁ মোক কলে, তাক পাবলৈ হ'লে টকা লৈ আনক, তেওঁৰ কথা মনত লৈ মোৰ পুৰণি চাইকেলখনক, মোৰ একমাত্ৰ সম্পত্তিক বেচি দিবলৈ সিদ্ধান্ত ললো।

মই লগে লগে ওচৰতে থকা চাইকেল দোকান এখনলৈ গ'লো আৰু ১০০ টকাত বিক্ৰী কৰি দিলো আৰু ২০০ খন যোগাযোগ পাঠ্যক্ৰমৰ পুস্তক কিনি ল'লো। মোৰ পৰিবহনৰ একমাত্ৰ মাধ্যমৰ পৰা বিভক্ত হৈ, থাওজেণ্ড লাইট নামৰ ঠাইৰ পৰা কান্ধত পুস্তকসমূহক কঢ়িয়াই, ৫ কিঃমিঃ দূৰত থকা মোৰ ঘৰলৈকে খোজকাঢ়ি গলো। এইদৰে কান্ধত গধুৰ বোজা লৈ ৰাস্তাত খোজ কঢ়াৰ অভিজ্ঞতা নথকা হেতুকে মই ভাগৰি পৰিছিলো। দুটা ঠাইত বোজাটো মোৰ কান্ধ আৰু মূৰৰ পৰা পিছলি পৰি গৈছিল, মই সহায়হীন হৈছিলো মোৰ কষ্ট দেখি মানুহে মোক উপহাস কৰাও মই শুনিছিলো। অৱশেষত মই ঘৰলৈ গৈ পালো আৰু মোৰ সকলো শক্তিৰে সেই পুস্তক সমূহ বিলাবলৈ আৰম্ভ কৰি দিলো।

মোৰ ভাই, এম, পৌলৰাজৰ সৈতে ঈশ্বৰে মোক "তোমাৰ বাবে - নতুন জীৱন" পাঠ্যক্ৰমটি আৰম্ভ কৰিবলৈ সক্ষম কৰিলে আৰু পৰৱৰ্তীকালত, আমি তেওঁৰ আহবানৰ প্ৰতিধ্বনী সন্ধ্যা বাইবেল কলেজখন আৰম্ভ কৰিলো।

হয় মোৰ প্ৰিয় বন্ধুসকল, এটা সময় আহিছিল যেতিয়া মই ঈশ্বৰৰ ৰাজ্যৰ বাবে মোৰ পুৰণি চাইকেলখনৰ পৰা বিছিন্ন হৈছিলো। এই কাৰ্যটো মোৰ বন্ধু আৰু মোৰ পৰিয়ালৰ বাবে এটা অৱহেলিত আৰু মূৰ্খতাৰ কাৰ্যৰ দৰে আছিল। যি কি নহওক, আজি ঈশ্বৰে মোক অনেক বাহন দিছে আৰু মোক সহায় কৰিবলৈ দক্ষ লোকসকলক দিছে।

এবাৰ, মই মোৰ কান্ধত আৰু মূৰত শুভবাৰ্তা পুস্তকসমূহ কঢ়িয়াব লগীয়া হৈছিলো। মোৰ যৌৱন কালত এইটো এটা বেদনাদায়ক আৰু অপমানজনক অভিজ্ঞতা আছিল। কিন্তু এতিয়া ইশ্বৰে মোক শুভবাৰ্ত্তা পুস্তক আৰু কৰ্মচাৰীসকলক কঢ়িয়াবৰ বাবে ভেন আৰু মিনি বাচ যোগাই দিছে।

প্ৰিয় বন্ধুসকল, ইশ্বৰে আপোনাৰ বাবে আৰু আপোনাৰ ভৱিষ্যতৰ বাবেও এটা বিশেষ পৰিকল্পনা কৰিছে। যদি আপুনি যি কোনো বস্তু ঈশ্বৰলৈ সমৰ্পণ কৰে , তেন্তে আপুনি প্ৰচুৰকৈ পুৰস্কৃত হব। আপুনি যীচু খ্ৰীষ্টক এজন আদৰ্শ হিচাপে লব পাৰে আৰু পৰিচৰ্যাৰ বাবে আপোনাৰ প্ৰয়োজনীয় বস্তুকো নিবদ্ধ মানসিকতাৰে বিনিয়োগ কৰক। আপোনাৰ জীৱনত ঈশ্বৰৰ আশীৰ্বাদৰ অন্তনহব, মনত ৰাখিব।

**কেৱল এটাহে জীৱন, এইটো সোনকালে শেষ হৈ যাব;**
**খ্ৰীষ্টৰ বাবে যি যি কৰা হয় সেইবোৰ স্থায়ী হ'ব!**

*******

## Kind Attention: Echo of His Call Readers

Our 5 minute **Echo of His Call** YouTube messages are being broadcasted from 2.00 A.M. in Tamil, Telugu, English and Hindi (everyday). You can receive the Grace of God by watching the messages.

Moreover, save my mobile numbers (+91) 98410 71858, (+91) 98412 71858 (personal) in your mobile phones.

- Pr. S. Sam Selva Raj

....*Contd. from page 6*

যেতিয়া ঈশ্বৰে আমাক গঠন কৰে, এইটো আৰামদায়ক অভিজ্ঞতা নহয়। ইয়ে কষ্ট দিয়ে আৰু আমাক দুৰ্বল অনুভৱ কৰায়। কিন্তু এনে সময়তে আমি নিজকে ঈশ্বৰৰ প্ৰচুৰ জ্ঞানৰ সমৰ্পন কৰিব লাগে আৰু তেওঁত ভাৰসা ৰাখিব লাগে। আমি এটা কথা মনত ৰাখিব লাগে যে ঈশ্বৰে আটাইতকৈ উত্তম যি তাকে জানে। ঈশ্বৰে আমাক আকাৰ দিবলৈ আমাৰ জীৱনত অনেক ধৰণৰ পৰিস্থিতি আহিবলৈ দিয়ে। তেওঁ আমাক গঢ়িবলৈ মানুহকে ব্যৱহাৰ কৰে। কিছুমান মানুহে আমাৰ জীৱনলৈ আহি আমাক হীন কৰাৰ দ্বাৰা, বিৰক্তিকৰ কৰি আৰু তেওঁলোকৰ সুখক কাঁইটিয়া বাক্যৰ দ্বাৰাই আমাক সহনশীল হ'বলৈ শিক্ষদিয়ে। কেতিয়াবা ঈশ্বৰে আমাৰ চৰিত্ৰক উন্নত কৰিবলৈ আমাৰ জীৱনত কিছুমান মানুহক আহিবলৈ দিয়ে। কেতিয়াবা মানুহে আমাক ছফা কৰিবলৈ আহে আৰু যেতিয়া আমি ঈশ্বৰে দিয়া লক্ষ্যত উপনীত হওঁ, তেওঁলোকে আমাক এৰি গুছি যায়। কেতিয়াবা মানুহে আমাক এনেকুৱা আঘাত দি গুছি যায়, যাক লৈ আমি গোটেই জীৱনটোত কষ্ট পাই থাকো। মই ইয়াৰ অভিজ্ঞতা পাই থৈছো। মানুহে আমাৰ জীৱনত এটা ঋতুৰ বাবে আহে। কিছুমানে প্ৰথম পৃষ্ঠাৰ বাবে আহে, কিছুমানে এটা অধ্যায়ৰ বাবে াহে আৰু একেবাৰে কম সংখ্যাৰ লোকহে আমাৰ গোটেই জীৱনৰ বাবে আহিবলৈ ইচ্ছা কৰে। গতিকে যেতিয়া কিছুমান মানুহে আমাৰ জীৱনৰ বাবে আহিবলৈ ইচ্ছা কৰে। গতিকে যেতিয়া কিছুমান মানুহে আমাৰ জীৱনৰ পৰা গুছি যায়, শক্তিশালী হৈ থাকক। ঈশ্বৰে জানে, আৰু তাত কাৰণ আছে।

কেতিয়াবা আমাক ঈশ্বৰৰ হাতে টুকুৰা কৰি দিয়া যেন লাগে। তেওঁ আমাক ধ্বংস নকৰে কিন্তু গঠন কৰে।

১ পিতৰ ৫:৬ পদে কয়, এই কাৰণে ঈশ্বৰৰ পৰাক্ৰমী হাতৰ অধীনত নিজকে নম্ৰ কৰক, তাতে উপযুক্ত সময়ত ঈশ্বৰে আপোনালোকক উন্নত কৰিব। আহক আমি চাওঁহক ঈশ্বৰৰ পৰাক্ৰমী হাতে আমাৰ জীৱনত কি কৰিব পাৰে।

যদি আমি আমাৰ জীৱন, ইচ্ছা, সপোনক সমৰ্পণ কৰি ঈশ্বৰৰ পৰাক্ৰমী হাতৰ অধীনত থাকো, তেতিয়া ওপৰত উল্লেখ কৰা আশীৰ্বাদ আপুনি পাব।

❖❖❖❖❖


# URGENT

We require approximately 1000 Hindi Christian books for **our Nehemiah Bible Colleges**. Kindly inform us about the possibility of obtaining theological Hindi books.

**Please stop sending books in English and Tamil languages.** Thank you.

- Pr. S. Sam Selva Raj, Editor
+91-98412 71858

# URGENT NEED

**PRINCIPAL & TEACHERS**
**for**

**ST. PAUL'S MATRICULATION SCHOOL,**
**An *Echo of His Call* Institution**
**Vijayanagaram, Medavakkam, Chennai - 100.**

We need well qualified, experienced, dedicated, hard working and mission oriented Christians.

Apply with Bio-data to
E.mail: sam@echoofhiscall.org
WhatsApp: (+91) 98412 71858

# WANTED for

**NEHEMIAH BIBLE COLLEGE**
**of ECHO OF HIS CALL, Chennai**
**(ATA - Registered Candidate for Membership)**

**DEAN (Residential):**
Hindi Theologian with M.Div. / M.Th. Degree & experience. Boarding, Lodging and Salary will be paid.
Eligible candidates may send bio--data to:
E.mail: sam@echoofhiscall.org
WhatsApp: (+91) 98412 71858

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/24-26 WPP.No.TN/PMG(CCR)/WPP-262/24-26

## Echo of His Call

### ইউ টিউব

**অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক**

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

**- সম্পাদক**

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **S. Sam Selva Raj** |
| A/C No. | : | **1023 2934 679** |
| IFSC | : | **SBIN 00 00 249** |

SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

| | | |
|---|---|---|
| Branch | : | **Anna Salai, Chennai-6** |
| Name | : | **Echo of His Call** |
| A/C No. | : | **6038 0502 2319** |
| IFSC | : | **ICIC 000 6038** |

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **Echo of His Call Educational Trust** |
| A/C No. | : | **1023 2923 805** |
| IFSC | : | **SBIN 00 00 249** |

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
**E.mail : sam@echoofhiscall.org**

## তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

বাৰ্ষিক বৰঙণি ১০০/- টকা — জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

**Regd. with the RNI under No. TNASS/2000/2335**
**Licenced to post without pre-payment**
**Postal Regn. No. TN/CH (C) /204/24-26**
**Licence No. WPP. No. TN/PMG(CCR)/WPP-262/24-26**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS / 1 Patrika Channel" on 12th FEBRUARY 2024**
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**

*JESUS LOVES YOU!*

**To**

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**